# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI
0000000000

**Date :** 11-07-2025
**Time :** 17-15  Hrs

***Assamese EVENING Bulletin***
**::::::::::::::::::::::::::::::::**

চৰকাৰৰ বিভিন্ন বিভাগ আৰু সংস্থাত নতুনকৈ নিযুক্তি লাভ কৰা ৫১ হাজাৰতকৈও অধিক যুৱক-যুৱতীক কাইলৈ ৰোজগাৰ মেলাৰ জৰিয়তে আনুষ্ঠানিকভাৱে নিযুক্তি পত্ৰ প্ৰদান কৰা হ'ব। এই উপলক্ষে ভিডিঅ' কনফাৰেঞ্চিং ব্যৱস্থাৰ মাধ্যমেৰে আয়োজন কৰা এটা অনুষ্ঠানত ভাগ লৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নিযুক্তি পত্ৰসমূহ বিতৰণ কৰিব।

এই অনুষ্ঠানতে তেওঁ নৱনিযুক্ত প্ৰাৰ্থীসকলক উদ্দেশ্য কৰি ভাষণ দিব। উল্লেখযোগ্য যে নতুনকৈ নিযুক্তি লাভ কৰা যুৱক-যুৱতীসকলক নিযুক্তিপত্ৰ বিতৰণৰ লক্ষ্যৰে কাইলৈ দেশৰ ৪৭ টা স্থানত যোড়শ ৰোজগাৰ মেলাৰ আয়োজন কৰা হৈছে। এই অনুষ্ঠানত কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন মন্ত্ৰালয় আৰু বিভাগসমূহত নতুনকৈ প্ৰাৰ্থীক নিযুক্তি দিয়াৰ ব্যৱস্থা কৰা হৈছে। উত্তৰ পূৱ সীমান্ত ৰে'লৱেৰ পৃষ্ঠপোষকতাত কাইলৈ গুৱাহাটী, ডিমাপুৰ আৰু শিলিগুৰিত পুৰা চাৰে দহ বজাৰ পৰা এই ৰোজগাৰ মেলাৰ আয়োজন কৰা হৈছে।   উত্তৰ পূৱ সীমান্ত ৰেলৱেৰ গুৱাহাটীৰ মালিগাওঁত থকা মুখ্য কাৰ্যালয় ৰং ভৱনত হবলগীয়া ৰোজগাৰ মেলাত কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহন আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল উপস্থিত থাকিব। ডিমাপুৰৰ  টাউন হলত হবলগীয়া ৰোজগাৰ মেলাত সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে অংশগ্ৰহণ কৰিব। শিলিগুৰিৰ কাশ্মীৰ কলনিত  থকা ভি আই পি অফিচাৰ ৰেষ্ট হাউচত হবলগীয়া আনখন ৰোজগাৰ মেলাত কেন্দ্ৰীয় পথ পৰিবহন আৰু ঘাইপথ ৰাজ্যমন্ত্ৰী অজয় তামতা  উপস্থিত থাকিব।  দেশৰ ভিন ভিন স্থানৰ পৰা নিযুক্তি লাভ কৰা এই প্ৰাৰ্থীসকলে ৰে'ল, গৃহ পৰিক্ৰমা, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ শ্ৰম আৰু নিযুক্তি, ডাক বিভাগ আদিকে ধৰি কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন মন্ত্ৰালয়ত যোগদান কৰিব।

ooooo

আজি বিশ্ব জনসংখ্যা দিৱস। সমগ্ৰ বিশ্বতে জনসংখ্যা বৃদ্ধিৰ ফলত উদ্ভৱ হোৱা প্ৰত্যাহ্বানৰ প্ৰতি লক্ষ্য ৰাখি প্ৰতিবছৰে ১১ জুলাইত এই দিৱস পালন কৰা হয়। পৰিৱেশ তথা উন্নয়নকে ধৰি জনসংখ্যাৰ সৈতে জড়িত বিষয়সমূহৰ ক্ষেত্ৰত সজাগতা সৃষ্টিৰ উদ্দেশ্যে ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদে ১৯৯০ চনৰ ডিচেম্বৰত গ্ৰহণ কৰা এটা প্ৰস্তাৱৰ জৰিয়তে বিশ্ব জনসংখ্যা দিৱস পালনৰ সিদ্ধান্ত গ্ৰহণ কৰে। ১৯৯০ চনৰ ১১ জুলাইত বিশ্বৰ ৯০ খনতকৈও অধিক দেশত প্ৰথমবাৰৰ বাবে এই দিৱস পালন কৰা হৈছিল। এইবাৰৰ দিৱসৰ মূল বিষয় হ'ল - মাতৃ আৰু শিশু উভয়ৰে সুস্বাস্থ্য আৰু কল্যাণৰ হকে গৰ্ভধাৰণৰ মাজৰ সময়ৰ উপযুক্ত ব্যৱধান।

ৰাজ্যৰ কেইবাখনো জিলাত আজি বিশ্ব জনসংখ্যা দিৱস উপলক্ষে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হয়। বজালী জিলাৰ পাঠশালাস্থিত ছহিদ মদন ৰাওতা অসামৰিক চিকিৎসালয়ত এই দিৱসৰ সৈতে সংগতি ৰাখি এখন বিশেষ

সজাগতা সভা অনুষ্ঠিত হয়। বজালী সদৰ মহকুমা চিকিৎসা আৰু স্বাস্থ্য বিষয়া ডাঃ দিপ্তী চৌধুৰীয়ে শুভাৰম্ভ কৰা সভাখনত কেইবাগৰাকীও জ্যেষ্ঠ চিকিৎসক, নাৰ্চ, আশাকৰ্মী আৰু সচেতন নাগৰিক উপস্থিত থাকে। ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ অধীনত কাচাৰ জিলা স্বাস্থ্য সমিতিয়ে আজি এই দিৱস বিস্তৃত কাৰ্যসূচীৰে পালন কৰে। ৰাজ্যৰ অন্যান্য প্ৰান্তৰ পৰাও আমালৈ এই দিৱস পালনৰ বাতৰি আহি আছে।

০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ে গোৱালপাৰা জিলাৰ পাইকান সংৰক্ষিত বনাঞ্চলৰ ভূমিত চৰকাৰে চলাবলগীয়া উচ্ছেদ অভিযানত কোনো অন্তৰৱৰ্তীকালীন স্থগিতাদেশ জাৰি কৰা নাই। বন বিভাগে বনাঞ্চলখনত উচ্ছেদ চলোৱাৰ আশংকাৰে ১৯৪ গৰাকী লোকে উচ্চ ন্যায়ালয়ত এখন লেখ আবেদন দাখিল কৰিছিল। এই লেখ আবেদনৰ ভিত্তিত গোচৰীয়াসকলৰ লগতে চৰকাৰী পক্ষৰ শুনানি লৈ উচ্চ ন্যায়ালয়ে প্ৰস্তাৱিত উচ্ছেদ অভিযানত কোনো স্থগিতাদেশ জাৰি নকৰিলে। ইয়াৰ বিপৰীতে উচ্চ ন্যায়ালয়ে অহা ২১ জুলাইত লেখ আবেদনৰ পৰৱৰ্তী শুনানিৰ দিন ধাৰ্য্য কৰিছে। উচ্চ ন্যায়ালয়ে লগতে পুনসংস্থাপনৰ ব্যৱস্থা নোহোৱা পৰ্যন্ত বন বিভাগে গোচৰীয়া লোকসকলৰ বাবে বিকল্প আশ্ৰয় আৰু পৰ্যাপ্ত খাদ্যৰ ব্যৱস্থা কৰিব লাগিব বুলিও স্পষ্ট কৰি দিয়ে। চৰকাৰে কাইলৈৰ পৰা পাইকান সংৰক্ষিত বনাঞ্চলত উচ্চেদ চলাবলৈ সাজু হৈছে বুলি আমাৰ স্থানীয় সংবাদদাতাই জানিবলৈ দিছে।

০০০০০

যোৰহাট জিলা আয়ুক্তৰ কাৰ্যালয়ত ২০২৪-২৫ বৰ্ষৰ খাৰিফ শস্যৰ বিপনণ বতৰৰ ধান ক্ৰয় সন্দৰ্ভত এখন পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। বৈঠকত জিলা আয়ুক্তগৰাকীয়ে অতিৰিক্ত জিলা আয়ুক্ত, খাদ্য আৰু অসামৰিক যোগান বিভাগ, জিলা কৃষি বিষয়া, ভাৰতীয় খাদ্য নিগমৰ সংমণ্ডল পৰিচালকৰ উপস্থিতিত জিলাখনত ধান ক্ৰয় সন্দৰ্ভত বিতংভাৱে আলোচনা কৰে। জিলাখনৰ অন্তৰ্গত ধান ক্ৰয় কেন্দ্ৰসমূহে বৰ্ষটোত পাঁচ হাজাৰ ২০০ মেট্ৰিকটন ধান ক্ৰয় কৰাৰ লক্ষ্য লৈছিল যদিও পাঁচ হাজাৰ ১৩৫ মেট্ৰিকটন ধান ক্ৰয় কৰে বুলি বৈঠকত প্ৰকাশ কৰা হয়। এই বৈঠকত জিলা আয়ুক্তগৰাকীয়ে হাঁহচৰা, নকছাৰী আৰু তিতাবৰ মাধপুৰত নতুনকৈ স্থাপন হ'বলগীয়া ধান ক্ৰয় কেন্দ্ৰ সন্দৰ্ভতো সংশ্লিষ্ট বিষয়াসকলৰ সৈতে আলোচনা কৰে।

০০০০০

ৰাজ্য চৰকাৰৰ অনুসূচীত জাতি, পিছপৰা শ্ৰেণীৰ কল্যাণ সঞ্চালকালয় আৰু উত্তৰ-পূব দক্ষতা কেন্দ্ৰৰ সহযোগত শোণিতপুৰ জিলাৰ অনুসূচীত জাতিৰ প্ৰাৰ্থীৰ বাবে পি এম এ জে এৱাই আঁচনিৰ অধীনত বিনামূলীয়াকৈ এবছৰীয়া বৃত্তিমূলক দক্ষতা প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হৈছে। ২০২৫-২০২৬ শৈক্ষিক বৰ্ষৰ বাবে এই বিনামূলীয়া কাৰ্যসূচীত নামভৰ্তিৰ বাবে অভিযান চলোৱা হ'ব বুলি শোণিতপুৰৰ জিলা উন্নয়ন আয়ুক্তই এখন জাননী যোগে প্ৰকাশ কৰিছে।

০০০০০

সমাপ্ত